**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-01-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই কালি ডুবাইৰ এটা ৰোড শ্ব’ত এডভাণ্টেজ আছাম বিনিয়োগ তথা আন্তঃগাঁথনি সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ প্ৰচাৰ চলায়। সম্ভাব্য বিনিয়োগকাৰীসকলক উৎসাহিত কৰিবলৈ এই ৰোড শ্ব’ত অসমৰ অৰ্থনৈতিক উন্নয়ন আৰু বিনিয়োগ সম্ভাৱনাসমূহ প্ৰদৰ্শন কৰা হয়। ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে ডুবাইৰ হিলটন হোটেলত আয়োজিত এখন বিনিয়োগকাৰীৰ বৈঠকতো মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে অসমে পৰম্পৰাগত উদ্যোগৰ পৰা অত্যাধুনিক প্ৰযুক্তিগত সা-সুবিধালৈকে বিভিন্ন উদ্যোগ আৰু উদ্ভাৱন খণ্ডত বিনিয়োগ কৰাৰ বাবে অনন্য সুযোগ আগবঢ়াইছে। তেওঁ লগতে আন্তঃগাঁথনি উন্নয়নমূলক প্ৰকল্পসমূহতো বিনিয়োগকাৰীসকলে বিনিয়োগৰ লাভজনক সুযোগ গ্ৰহণ কৰিব পাৰে বুলি উল্লেখ কৰে। ৭ খন ৰাষ্ট্ৰীয় উদ্যান, ইউনেস্ক’ৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতিপ্ৰাপ্ত ৩টা স্থানসহ অসমৰ প্ৰাকৃতিক ঐতিহ্যৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে সুগন্ধিৰ বাবে জনাজাত অগৰুৰ ৯৭ শতাংশ অসমতে পোৱা যায়।

০০০০০০

ৰাজ্য চৰকাৰে বিশ্বমানৰ সা-সুবিধাৰ সৈতে প্ৰতিখন বিদ্যালয়ৰ উন্নয়নৰ বাবে ৮ কোটি টকা বিনিয়োগ কৰি স্কুলীয়া আন্তঃগাঁথনিৰ ক্ষেত্ৰত বিপ্লৱৰ সূচনা কৰিছে। কামৰূপ জিলাৰ বেজেৰা আদৰ্শ বিদ্যালয়ৰ নৱনিৰ্মিত ভৱন উদ্বোধন কৰি কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে চলিত বৰ্ষত এনে আৰু ৪৯৯খন বিদ্যালয় মুকলি কৰা হ’ব। অসমৰ স্কুলীয়া শিক্ষাৰ বাবে এয়া ঐতিহাসিক বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে দুখীয়া আৰু মধ্যবিত্ত পৰিয়ালৰ শিশুসকলৰ প্ৰকৃত সবলীকৰণৰ উদ্দেশ্যে পৰৱৰ্তী পাঁচ বছৰত এনে ৫ হাজাৰখন বিদ্যালয় নিৰ্মাণৰ লক্ষ্য স্থিৰ কৰিছে। তেওঁ কয় যে ইয়াৰ ফলত শিশুসকলে চৰকাৰী বিদ্যালয়তে উত্তম শিক্ষা লাভ কৰিবলৈ সমৰ্থ হ’ব। ড° শৰ্মাই লগতে কয় যে অসমৰ দৰে ৰাজ্য এখনৰ বাবে কিছু বছৰ পূৰ্বে অত্যাধুনিক আন্তঃগাঁথনি বিদ্যালয় নিৰ্মাণৰ বাবে ৪ হাজাৰ কোটি টকা ভাবিব নোৱাৰা কথা আছিল যদিও প্ৰাথমিক বিদ্যালয়ৰ পৰা উচ্চ মাধ্যমিক বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ পৰা চিকিৎসা মহাবিদ্যালয় আৰু ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ সৈতে অসমে সম্প্ৰতি দেশক পথ দেখুৱাবলৈ সমৰ্থ হৈছে।

০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কাজিৰঙাৰ অগৰাতলীৰ চহলা বিলত কালি বিভিন্ন পৰিভ্ৰমী পক্ষী দৰ্শন কৰি চলিত বৰ্ষত বনাঞ্চলখনত পক্ষী মহোৎসৱ আয়োজনৰ পৰিকল্পনাৰ বিষয়ে অৱগত কৰে। পক্ষীপ্ৰেমীসকলৰ কাৰণে ভূস্বৰ্গস্বৰূপ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত সৰ্বমুঠ ৫০০বিধ প্ৰজাতিৰ পক্ষী স্থায়ীভাৱে পোৱা যায়। এছীয় ধনেশ, উলুম’ৰাৰ দৰে বিৰল প্ৰজাতিৰ পক্ষীয়েও কাজিৰঙাক আৱাসস্থল হিচাপে গ্ৰহণ কৰে। ইয়াৰ উপৰি শীতকালত চাইবেৰিয়া, আলাস্কা, মানস সৰোবৰ ইত্যাদি ঠাইসমূহৰ পৰা পৰিভ্ৰমী পক্ষীৰো ৰাষ্ট্ৰীয় উদ্যানখনৰ জলাহ অঞ্চললৈ আগমন ঘটে।

০০০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গোভা দেওৰজাৰ পৰম্পৰাগত ঐতিহাসিক জোনবিল মেলা অনুষ্ঠিত হ’ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি জোনবিল মেলাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই মেলাত মধ্য অসমৰ ২২ গৰাকী তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰা হ’ব। গোভা দেওৰজাৰ অৰম বিলত সমূহীয়া মাছ ধৰা পৰ্ব আৰু ৰজাৰ বিষয়াবৰ্গই প্ৰতীকিৰূপত কৰ সংগ্ৰহৰ পাছতে তিনিদিনীয়া এই মেলাৰ সামৰণি পৰিব।

বিভিন্ন জাতি-জনগোষ্ঠীয় লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত অনুষ্ঠিত এই মেলাত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যায়। গোভা দেওৰজাৰ বিবাহ অনুষ্ঠানৰ ইতিহাস জড়িত এই মেলাত পাৰম্পৰিকভাৱে বিনিময় প্ৰথাৰ হাট অনুষ্ঠিত হৈ আহিছে। অসমৰ পাৰ্বত্য জিলাকেইখনৰ লগতে চুবুৰীয়া মেঘালয়ৰো শতাধিক গাঁৱৰ ৰাইজে প্ৰতি বছৰে এই মেলাত স্থানীয়ভাৱে উৎপাদিত কৃষিজাত সামগ্ৰীৰ বিনিময় কৰে। অসমৰ লোক সংস্কৃতিৰ অনন্য উপাদান এই মেলাত সমূহীয়া মাছ ধৰা পৰ্বৰ লগতে পাৰম্পৰিক খেল-ধেমালি আৰু বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী তথা সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব। ইতিমধ্যে এই মেলাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০০০০

অসম তথা অৰুণাচল প্ৰদেশৰ ছিংফৌ সমাজৰ মুৰব্বী তিনিচুকীয়া জিলাৰ লিডু বিছাগাঁও নিবাসী বিছাৰজা বিছানং ছিংফৌৰ কালি নিশা পৰলোকপ্ৰাপ্তি ঘটে। ছিংফৌ সমাজৰ স্বকীয়তা বজাই ৰাখি অসমৰ সমাজ-সংস্কৃতিৰ অনন্য উপাদান হিচাপে প্ৰতিষ্ঠা কৰিবলৈ ছিংফৌ সমাজৰ প্ৰয়াত মুৰব্বীগৰাকীয়ে অহোপুৰুষাৰ্থ কৰিছিল। ছিংফৌ জাতীয় উৎসৱ **স্বপং য়ৌং মানও পয়**ৰ প্ৰতিষ্ঠাপকগৰাকী সদৌ অসম ছিংফৌ জাতীয় পৰিষদ, টাংছা জাতীয় পৰিষদ, লিডু সাহিত্য সভা ইত্যাদিৰ সৈতেও জড়িত আছিল।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই প্ৰতিদিনে পুৱা ৭ বাজি ৫৫ মিনিট আৰু সন্ধিয়া ৬ বজাত প্ৰচাৰ কৰি অহা বাতৰিত **উজনিৰ বাতৰি** বুলি নামকৰণ কৰাৰ বাবে কিছুসংখ্যক শ্ৰোতাই আপত্তি দৰ্শোৱা বাতৰি বিভাগৰ দৃষ্টিগোচৰ হৈছে। এই ক্ষেত্ৰত বাতৰি বিভাগে স্পষ্ট কৰিব বিচাৰে যে, ৰাজ্যখনক উজনি আৰু নামনি নামেৰে বিভাজন কৰাৰ কোনো উদ্দেশ্য বাতৰি বিভাগৰ নাই। আকাশবাণীৰ সঞ্চালকালয়ৰ নিৰ্দেশমৰ্মে পূৰ্বে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত বাতৰি বুলেটিন বৰ্তমান গুৱাহাটী কেন্দ্ৰৰ পৰা প্ৰচাৰ কৰা হৈছে। সেয়েহে এই বাতৰিক **উজনিৰ বাতৰি**ৰূপে নামকৰণ কৰা হৈছিল। তৎসত্ত্বেও শ্ৰোতাসকলৰ অনুভূতিৰ প্ৰতি শ্ৰদ্ধা জনাই আজিৰে পৰা এই দুয়োখন বাতৰি বুলেটিনক **উজনি অসমৰ বাতৰি**ৰূপে নামকৰণ কৰা হৈছে। এই বাতৰি বুলেটিনকো অসমৰ সকলো শ্ৰোতাই আদৰি ল'ব বুলি আশা কৰা হৈছে।

০০০০০০০

**সমাপ্ত**